REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-09-2023
Time : 1845 Hrs.

# ASSAMESE EVENING BULLETIN

## HEADLINES

১। ছিকিমৰ ডাৱৰ বিস্ফোৰণৰ ফলত হোৱা বানত সেনাবাহিনীৰ ২৩ গৰাকী জোৱানসহ মুঠ ৫৯ গৰাকী ব্যক্তি সন্ধানহীন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰিস্থিতি সম্পৰ্কত ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ সৈতে বাৰ্তালাপ।

২। স্বাধীনতা সংগ্ৰামৰ মহান ছহিদ কনকলতা বৰুৱাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি ডাক টিকট মুকলি, সংগ্ৰহালয় আৰু প্ৰতিমূৰ্তি নিৰ্মাণৰ যাৱতীয় ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ।

৩। অসম আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে অভিযান চলাই এই পৰ্যন্ত ৭১০টা গোচৰ ৰুজু কৰি ৯১৫ টা অভিযুক্তক গ্ৰেপ্তাৰ কৰা বুলি আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙৰ প্ৰকাশ।

৪। এছিয়ান গেমছত ভাৰতৰ নীৰজ চোপ্ৰাৰ জেভলিন থ্ৰ'ত সোণ, কিশোৰ কুমাৰ জেনাৰ ৰূপ আৰু বক্সিঙত লাভলীনা বৰগোহাঁইৰ ৰূপৰ পদক লাভ।

*আৰু*

৫। এছিয়ান গেমছত আজি ভাৰতৰ ৩ টা সোণসহ মুঠ ১২ টা পদক অৰ্জন কৰি পদক সংখ্যা ৮১লৈ বৃদ্ধি।

০০০০০০০

ছিকিমত হোৱাৰ ডাৱৰ বিস্ফোৰণৰ ফলত গ্লেছিয়েল হ্ৰদ, লোনাক হ্ৰদ আৰু তিস্তা নৈৰ অৱবাহিকাকে ধৰি জলাশয়সমূহত আকস্মিকভাবে জলস্তৰ বৃদ্ধি পোৱাৰ ফলত ৰাজ্যখনৰ ভালেমান ঠাই বানৰ কবলত পৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙৰ সৈতে বাৰ্তালাপ কৰি পৰিস্থিতিৰ বুজ লয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে দুৰ্যোগৰ মোকাবিলা কৰিবৰ বাবে সকলোধৰণৰ সহায়-সহযোগিতাৰ আশ্বাস প্ৰদান কৰে। উল্লেখযোগ্য যে আকস্মিকভাৱে হোৱা এই বানৰ ফলত পাকিয়ং জিলাত সেনাবাহিনীৰ ২৩ গৰাকী জোৱানসহ মুঠ ৫৯ গৰাকী ব্যক্তি সন্ধানহীন হৈ থকা বুলি বাতৰি প্ৰকাশ পাইছে। জিলাখনৰ বাৰডাঙত কেইবাখনো যান-বাহন বানত বুৰ যোৱাৰ লগতে অঞ্চলটোৰ পৰা এজন সেনা জোৱানো উদ্ধাৰ কৰা হৈছে। পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাং ইতিমধ্যে ছিংটামকে ধৰি বিভিন্ন অঞ্চলত উপস্থিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ভুক্তভোগী লোকসকলক সাক্ষাৎ কৰি চৰকাৰৰ ফালৰ পৰা সকলোধৰণৰ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ নিশ্চয়তা প্ৰদানৰ লগতে জনসাধাৰণক আশংকা পৰিহাৰ কৰি সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। ইফালে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৪৮ ঘণ্টাৰ বাবে ছিকিমত ৰেড এলাৰ্ট তথা অসম আৰু মেঘালয়ত অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি স্বাধীনতা সংগ্ৰামৰ মহান শ্বহীদ কনকলতা বৰুৱাৰ জন্ম শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত অহা বছৰৰ কনকলতা বৰুৱা জন্ম শতবাৰ্ষিকী উপলক্ষে এটা ডাক টিকট মুকলি কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগক নিৰ্দেশনা প্ৰদান কৰে। তদুপৰি কনকলতা বৰুৱা সংগ্ৰহালয়, প্ৰতিমূৰ্তি নিৰ্মাণ আৰু গহপুৰ থানাৰ পুনৰ নিৰ্মাণৰ নক্সা প্ৰস্তুতৰ লগত সংগ্ৰহালয়টো নিৰ্মাণৰ বাবে ভূমিদান বিষয়টো শ্বহীদগৰাকীৰ পৰিয়ালৰ লগত আলোচনা কৰিবলৈ জিলা আয়ুক্তক নিৰ্দেশনা প্ৰদান কৰে। এই বৈঠকত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাকে ধৰি বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।

ইফালে মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ নিৰ্দেশমৰ্মে অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই আজি **১৯৪২ৰ শ্বহীদ পৰিয়াল কল্যাণ সমিতি, অসমৰ** সভাপতিৰ নেতৃত্বত অহা এটা প্ৰতিনিধিৰ দলক সাক্ষাৎ কৰে। মন্ত্ৰী শ্ৰীবৰাই ৪২ৰ ঐতিহাসিক ভাৰত ত্যাগ আন্দোলনৰ সময়ত প্ৰাণ আহুতি দিয়া ৰাজ্যৰ মহান শ্বহীদসকলৰ পৰিয়ালৰ কল্যাণ আৰু ঢেকীয়াজুলিত এটা শ্বহীদ স্মাৰক নিৰ্মাণ সন্দৰ্ভত আলোচনা কৰে। সমিতিৰ প্ৰতিনিধি দলটোক চৰকাৰে সাম্ভাব্য সকলো সহায়-সহযোগিতা আগবঢ়াব বুলি মন্ত্ৰী শ্ৰীবৰাই প্ৰতিশ্ৰুতি দিয়ে।

০০০০০০

অসম আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে অভিযান চলাই এই পৰ্যন্ত ৭১০টা গোচৰ ৰুজু  কৰি ৯১৫ টা অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে আজি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। সঞ্চালকপ্ৰধানগৰাকীয়ে কয় যে, এই গোচৰসমূহ POCSO আইনৰ অধীনত গোচৰসমূহ ৰুজু কৰা হৈছে। চলিত বছৰৰ জুনৰ মাহৰ পৰা ৰাজ্যত বাল্য বিবাহৰ বিৰুদ্ধে অভিযান আৰম্ভ হৈছে বুলি তেওঁ কয় যে, এই ব্যাধি অসমৰ পৰা নাইকিয়া কৰিবলৈ এই অভিযান চলিছে। উল্লেখযোগ্য যে এই পৰ্যন্ত ৰুজু হোৱা গোচৰবোৰৰ ভিতৰত ধুবুৰী জিলাত সৰ্বাধিক ১২৫ টা গোচৰ ৰুজু হৈছে। আনহাতে, বৰপেটাত ৮৫ টা দক্ষিণ শালমাৰাত ৫০ টা গোচৰ ৰুজু হৈছে। ইপিনে, গ্ৰেপ্তাৰ হোৱা লোকসকলৰ ভিতৰত ধুবুৰী জিলাত ১৯২ জন, বৰপেটা জিলাত ১৪৩, কামৰূপত ৫০ আৰু কৰিমগঞ্জত ৪৭ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে।

ইফালে, চাইবাৰ অপৰাধ সম্পৰ্কত শ্ৰীসিঙে কয় যে, এই অপৰাধৰ সৈতে জড়িত কোনো লোকে আত্মগোপন কৰি থাকিলেও তেনেলোকক বিচাৰি উলিওৱা হ'ব। এইক্ষেত্ৰত অভিজ্ঞ চাইবাৰ বিশেষজ্ঞৰ সহায়ত তদন্ত চলি থকা বুলি তেওঁ উল্লেখ কৰে। অসম লোকসেৱা আয়োগৰ গোচৰ সন্দৰ্ভত সঞ্চালকপ্ৰধানগৰাকীয়ে কয় যে, সমগ্ৰ কেলেংকাৰীটো বিশেষ তদন্তকাৰী গোটৰ নিৰীক্ষণত আছে আৰু দোষীয়ে শাস্তি লাভ কৰিবই। আজি সংবাদমেলৰ জৰিয়তে তেওঁ অসম আৰক্ষীৰ উপ আৰক্ষী অধীক্ষক লাভলীনা বৰগোহাঁয়ে এছিয়ান গেমছত ৰূপৰ পদক লাভ কৰাৰ বাবে উৎফুল্লিত বুলি কৈ খেলুৱৈগৰাকীক শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনাৰ অধীনত নতুন মহাবিদ্যালয় নিৰ্মাণ সম্পৰ্কত এখন বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই প্ৰস্তাৱিত মহাবিদ্যালয়সমূহ গ্ৰামাঞ্চলত নিৰ্মাণ কৰাৰ বাবে অগ্ৰাধিকাৰ দিবলৈ আৰু এই সম্পৰ্কত বিতং প্ৰকল্প প্ৰতিবেদন যুগুত কৰিবলৈ লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে। বৈঠকত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, চাহ জনজাতি কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণো উপস্থিত আছিল।

০০০০০০০

অসম আৰক্ষীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰণী শাখাই আজি অভিযান চলাই জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নলবাৰী সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ৰ কনিষ্ঠ সহায়ক জুনু কলিতাক উৎকোচ লোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছে। মহিলাগৰাকীয়ে ঠিকাদাৰক অনুজ্ঞা প্ৰদানৰ বাবে দাবী কৰা উৎকোচৰ ধন গ্ৰহণ কৰি থকা অৱস্থাত আৰক্ষীৰ দলে হাতে-লোটে ধৰা পেলায়। আনহাতে লখিমপুৰ জিলাৰ পানীগাঁও আৰক্ষী থানাৰ উপ-পৰিদৰ্শক মেৰাফৎ আলীক তদাৰকী আৰু দুৰ্নীতি নিবাৰণী শাখাই আজি হাতে-লোটে ধৰা পেলায় গ্ৰেপ্তাৰ কৰে। বিষয়াগৰাকীয়ে এটা অপৰাধৰ গোচৰত অভিযুক্তক জামিন দিয়াৰ বাবদ উৎকোচ দাবী কৰিছিল। আৰক্ষীৰ দলে আজি বিষয়াজনক উৎকোচ লৈ থকা অৱস্থাত গ্ৰেপ্তাৰ কৰে।

০০০০০০

ৰাজ্যৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী তথা কোকৰাঝাৰ জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলে আজি দুদিনীয়া কোকৰাঝাৰ ভ্ৰমণৰ প্ৰথম দিনটোত বি টি চি সচিবালয়ত বিভাগীয় শীৰ্ষ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে বি টি আৰৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ৰূপায়ণৰ সামগ্ৰিক স্থিতি আৰু অগ্ৰগতিৰ

বিষয়ে সংশ্লিষ্ট বিভাগৰ পৰা খতিয়ান লয়। বি টি চিৰ মুৰব্বী প্ৰমোদ বড়ো তথা উপ মুখ্য কাৰ্যবাহী গোবিন্দ বসুমতাৰীৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত নগৰ পৰিক্ৰমা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী শিক্ষাকে ধৰি বিভিন্ন বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰা হয়। পৰিষদৰ অধীনৰ ৫ খন জিলাত জলজীৱন মিচন, প্ৰধানমন্ত্ৰী আৱাস যোজনা, পি এম স্বনিধি, এম জি এনৰেগাকে ধৰি আঁচনিসমূহৰ ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লৈ মন্ত্ৰীগৰাকীয়ে বিভাগসমূহক যাৱতীয় নিৰ্দেশনা জাৰি কৰে। তেওঁ চহৰ অঞ্চলৰ ষ্ট্ৰীট লাইট, গোটা আৱৰ্জনা ব্যৱস্থাপনা, বি টি আৰৰ উন্নয়ন খণ্ডসমূহৰ পুনৰ গঠন, কৃষকৰ পৰা ধান ক্ৰয় আদি বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে পৰিষদীয় চৰকাৰে গ্ৰহণ কৰা মিচন ছুপাৰ ফিফটি, বড়োলেণ্ড স্কুল এডপচন প্ৰগেম, গ্ৰীণ বড়োলেণ্ড মিচন আদি পদক্ষেপৰ শলাগ লয়।

০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ বাবে প্ৰতিটো ৰন্ধন গেছৰ চিলিণ্ডাৰত ৰাজ সাহায্য ১০০ টকাকৈ বৃদ্ধি কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীসভাই এই সন্দৰ্ভত গ্ৰহণ কৰা সিদ্ধান্ত সম্পৰ্কে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে আজি নতুন দিল্লীত প্ৰকাশ কৰে। তেওঁ কয় যে, মন্ত্ৰীসভাই গুৰুত্বপূৰ্ণ সিদ্ধান্ত অনুসৰি এই ৰাজসাহায্য পূৰ্বৰ ২০০ টকাৰ পৰা ৩০০ টকালৈ বৃদ্ধি কৰিছে।

০০০০০০

চৰাইদেউ জিলাৰ ঐতিহাসিক চৰাইদেউ মৈদামৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ স্বীকৃতি লাভ সম্পৰ্কত পৰ্যবেক্ষণ কৰাৰ বাবে অহা ৭ অক্টোবৰত ইউনেস্ক'ৰ এটা সঁজাতি দল মৈদামথলীত উপস্থিত হ'ব। আজি চৰাইদেউত উপস্থিত হৈ ৰাজ্যৰ জনজাতীয় বিশ্বাস আৰু সংস্কৃতি আদি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছাই এই দিশৰ সকলো কাম-কাজ তদাৰক কৰে। মন্ত্ৰীগৰাকীয়ে বিভাগীয় কৰ্তৃপক্ষৰ সৈতে আলোচনাত মিলিত হৈ কামৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মানচিত্ৰত যাতে চৰাইদেউৰ নাম অন্তৰ্ভুক্ত হয়, সেই সম্পৰ্কে নিৰীক্ষণ কৰিবলৈ যাৱতীয় নিৰ্দেশ দিয়ে।

০০০০০০০

অসমৰ প্ৰাচীন চহকী সংস্কৃতি পুতলা নাচৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লক্ষ্যৰে ৰাজ্যৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত আজিৰেপৰা দুদিনীয়াকৈ পৰম্পৰাগত পুতলা নাচ মহোৎসৱ অনুষ্ঠিত হৈছে। এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণ সংযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী ড° চন্দন গোস্বামীয়ে মহোৎসৱখন উদ্বোধন কৰে। মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে অভিনেত্ৰী চেতনা দাসে। উদ্বোধনী অনুষ্ঠানৰ পাছতে আজি তিনিখন পুতলা নাট মঞ্চস্থ কৰা হয়। কাইলৈও আন তিনিখন নাট মঞ্চস্থ কৰা হ'ব।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে ৰাজ্যখনৰ ৫টা খিলঞ্জীয়া মুছলমান সম্প্ৰদায় গৰিয়া, মৰিয়া, দেশী, চৈয়দ আৰু জলহাসকলৰ আৰ্থ-সামাজিক জৰীপ সন্দৰ্ভত লোৱা সিদ্ধান্তক গৰিয়া উন্নয়ন পৰিষদে আদৰণি জনাইছে। আজি এখন সংবাদমেলত গৰিয়া উন্নয়ন পৰিষদৰ অধ্যক্ষ হাফিজুল আহমেদ আৰু উপাধ্যক্ষ মোস্তাকুদ্দিন আহমেদে কয় যে স্বাধীনতাৰ ৭৬ বছৰে কোনো এখন চৰকাৰে যি কৰিব নোৱাৰিলে, সেয়া এইখন চৰকাৰে কৰি দেখুৱালে। এই পদক্ষেপক অসম ইছলামধৰ্মী খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ প্ৰতি কৰা চৰকাৰৰ উপকাৰ এই জনগোষ্ঠীৰ কোনো এজন লোকেও পাহৰিব নোৱাৰিব বুলি সংবাদমেলত সংগঠনটোৱে প্ৰকাশ কৰে। সেইদৰে দেশী জনগোষ্ঠীয় মঞ্চ, অসমে মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু সংখ্যালঘু কল্যাণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক ধন্যবাদ জ্ঞাপন কৰিছে। স্বাধীনতাৰ ৭৬ বছৰে লাহে লাহে পৰিচয় হেৰুৱাই আগ্ৰাসনৰ সন্মুখীন হোৱা জনগোষ্ঠীকেইটাই এতিয়া আশাৰ ৰেঙণি দেখা পাইছে বুলি সংগঠনটোৰ সভাপতি শ্বেখ হেদায়েতুল্লাই এটা প্ৰেছ বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে। তদুপৰি চৰকাৰৰ এই সিদ্ধান্তক ৰাজ্যিক বিজেপিয়ে আদৰণি জনাইছে। এটা বিবৃতিত দলটোৱে কয় যে ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰে জাতি-ধৰ্ম-বৰ্ণ-নিৰ্বিশেষে সকলো জাতি-জনগোষ্ঠীৰ সম-বিকাশৰ কাৰণে দায়বদ্ধতাৰে কাম কৰিছে। অসমৰ প্ৰতিটো ধৰ্মাৱলম্বী জনসাধাৰণে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নেতৃত্বত সুৰক্ষিত অনুভৱ কৰিছে বুলি বিবৃতিটোত উল্লেখ কৰা হয়।

০০০০০০০০

বিত্ত, মহিলা আৰু শিশু কল্যাণ মন্ত্ৰী অজন্তা নেওগে আজি শোণিতপুৰ জিলাৰ ৰঙাপৰা সমষ্টিৰ অন্তৰ্গত ফুলবাৰী চাহ বাগিচাত এখন জনসজাগতা সভাত অংশগ্ৰহণ কৰে। আন্তৰ্জাতিক কন্যা শিশু দিৱসৰ লগত সংগতি ৰাখি মহিলাৰ সুৰক্ষা, নিৰাপত্তা আৰু সৱলীকৰণ সন্দৰ্ভত ৰাজ্যৰ চাহ বাগিচা অঞ্চলত মাহজোৰা জন সজাগতা অভিযানৰ অংশৰূপে আয়োজন কৰা এই সভাত মন্ত্ৰীগৰাকীয়ে বাগিচাৰ মহিলাসকলক শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত আগবাঢ়ি আহিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে সমাজ কল্যাণ বিভাগৰ বিষয়াসকলক চাহ বাগিচালৈ গৈ সজাগতা কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈকো নিৰ্দেশ প্ৰদান কৰে। তদুপৰি বাগিচা অঞ্চলত সুৰা আৰু বিভিন্ন মাদক দ্ৰব্য নিবাৰণৰ বাবে আহ্বান জনোৱাৰ লগতে মহিলাৰ সুৰক্ষাৰ বাবে ১৮১ নম্বৰত যোগাযোগ কৰিবলৈ কয়। সভাত সাংসদ পল্লৱ লোচন দাস, বিধায়ক কৃষ্ণ কমল তাঁতী, গণেশ লিম্বু, প্ৰমোদ বৰঠাকুৰ, পৃথ্বিৰাজ ৰাভাকে ধৰি জিলা প্ৰশাসন আৰু সমাজ কল্যাণ বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

ইপিনে, মন্ত্ৰীগৰাকীয়ে যোৰহাট আৰ্বত ভৱনত মিছন বসুন্ধৰা 2.0 ৰ মহকুমা পৰ্যায়ৰ ভূমি উপদেষ্টা কমিটীৰ বৈঠকত অংশগ্ৰহণ কৰি আঁচনিখনৰ সফল ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰে। আন এখন বৈঠকত মন্ত্ৰীগৰাকীয়ে জিলা পৰ্যায়ৰ অৰুণোদয় 2.0 ৰ কাম-কাজৰ বুজ লয়। বৈঠকত সাংসদ কামাখ্যা প্ৰসাদ তাচা, বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু ভাস্কৰজ্যোতি বৰুৱাৰ লগতে জিলা আয়ুক্ত উপস্থিত থাকে। ইয়াৰোপৰি মন্ত্ৰীগৰাকীয়ে অসম মাইক্ৰ' ফাইনেন্স উদ্গনি আৰু সকাহ আঁচনি, ২০২১-ৰ অধীনত অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচীৰ সভাস্থলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়।

০০০০০০০

মেৰি মাটি মেৰা দেশ কাৰ্যসূচীৰ অধীনত আজি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই গুৱাহাটী পৌৰনিগমৰ অধীনৰ ৫৯ নম্বৰ ৱাৰ্ডত অমৃত কলহ যাত্ৰাত অংশগ্ৰহণ কৰে। এই উপলক্ষে হেঙেৰাবাৰী, বৰবাৰী সাৰ্বজনীন দুৰ্গা মন্দিৰত আয়োজিত অনুষ্ঠানত অংশ লৈ মন্ত্ৰী শ্ৰীমহন্তই কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানমৰ্মে আৰম্ভ হোৱা অমৃত কলহ যাত্ৰা অসমত জন আন্দোলনলৈ পৰিণত হৈছে। আজিৰ কাৰ্যসূচীত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াকে ধৰি ভালেসংখ্যক ব্যক্তিয়ে অংশগ্ৰহণ কৰে। বৰপেটা জিলাত আজিও অমৃত কলহ যাত্ৰা কৰি ঘৰে ঘৰে সংগ্ৰহ কৰা মাটি পঞ্চায়ত কাৰ্যালয়ত জমা কৰা কাৰ্যসূচী অনুষ্ঠিত হয়। সৰভোগ বিধানসভা সমষ্টিৰ মেদা পঞ্চায়তৰ অধীনৰ গাঁওসমূহৰ কলহ যাত্ৰা কাৰ্যসূচীত ৰাজ্যৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে অংশ লয়। এই কাৰ্যসূচীত জিলাখনৰ আয়ুক্ত আয়ুষ গাৰ্গো উপস্থিত থাকে। তিনিচুকীয়া জিলাত আজি ৰঙাজান পুৰণি পুখুৰী আৰু বিজুলীবন গাঁও পঞ্চায়তলৈ কলহসমূহ অনা হয়। এই কাৰ্যসূচীত বিধায়ক ৰূপেশ গোৱালাৰ উপৰিও কেইবাগৰাকীও পঞ্চায়ত কৰ্মচাৰী আৰু জীৱিকা সখী উপস্থিত আছিল। কৰিমগঞ্জ জিলাৰ বাঘান গাঁও পঞ্চায়তৰ পৰা সংগ্ৰহ কৰা মাটিসমূহ আজি পঞ্চায়ত কাৰ্যালয়লৈ লৈ অনা হয়। এই কাৰ্যসূচীত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

০০০০০০

বন্য প্ৰাণীৰ প্ৰতি সজাগতা সৃষ্টিৰ লক্ষ্যৰে অসম ৰাজ্যিক চিৰিয়াখানা কৰ্তৃপক্ষই যোৱা ২ অক্টোবৰৰ পৰা বিভিন্ন কাৰ্যসূচীৰে ৬৯ সংখ্যক বন্যপ্ৰাণী সপ্তাহ পালন কৰি আছে। ইয়াৰ অংশ হিচাপে আজি অসম ৰাজ্যিক চিৰিয়াখানা চৌহদৰ পৰা পবিতৰা অভয়াৰণ্যলৈ এটা চাইকেল সমদল উলিওৱা হয়। গুৱাহাটী বন্যপ্ৰাণী সংমণ্ডলৰ সহযোগত চিৰিয়াখানা কৰ্তৃপক্ষই উলিওৱা এই সমদলত বন সংমণ্ডল বিষয়া অশ্বিনী কুমাৰে ফ্লেগ অফ কৰে। উল্লেখযোগ্য যে অহা ৭ অক্টোবৰলৈ চিৰিয়াখানা কৰ্তৃপক্ষই বন্যপ্ৰাণী সপ্তাহ পালন কৰিব।

০০০০০০০

এছিয়ান গেমছৰ মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাত অসমৰ লাভলীনা বৰগোহাঁয়ে ৰূপৰ পদক অৰ্জন কৰিছে। আজি অনুষ্ঠিত চূড়ান্ত খেলখনত লাভলীনাই চীনৰ লী-কিয়ানৰ হাতত পৰাভূত হয়। খেলুৱৈগৰাকীয়ে কালি অনুষ্ঠিত ছেমি ফাইনেলত থাইলেণ্ডৰ বেইছন মানিকনক ৫-০ ফলাফলত পৰাভূত কৰিছিল। ইয়াৰ ফলত লাভলীনাই পেৰিছ অলিম্পিকলৈ

বাছনি লাভ কৰে। আজিৰ খেলখনত তীব্ৰ প্ৰতিন্দন্দ্বিতা আগবঢ়োৱাৰ পাছতো পৰাজয় বৰণ কৰি খেলুৱৈগৰাকী ৰূপৰ পদকতে সন্তুষ্ট হ'বলগীয়া হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সাফল্যৰ বাবে লাভলীনাক অভিনন্দন জ্ঞাপন কৰিছে। এটা শুভেচ্ছা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে খেলুৱৈগৰাকীৰ ধাৰাবাহিক সাফল্যই বিশেষকৈ মহিলা আৰু যুৱতীসকলক সকলো প্ৰত্যাহ্বান নেওচি সপোন বাস্তৱায়িত কৰাৰ দিশে অগ্ৰসৰ হ'বলৈ উৎসাহিত কৰিছে। মুখ্যমন্ত্ৰীয়ে খেলুৱৈগৰাকীক পেৰিছ অলিম্পিকৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

০০০০

এছিয়ান গেমছত আজি ভাৰতে ২ টা সোণসহ মুঠ ১২ টা পদক অৰ্জন কৰি পদক সংখ্যা ৮১লৈ বৃদ্ধি কৰিছে। ভাৰতৰ তাৰকা খেলুৱৈ নীৰজ চোপ্ৰাই ৮৮.৮৮ মিটাৰ দলিয়াই জেভলিন থ্ৰ'ত সোণৰ পদক লাভ কৰিছে। ইয়াৰ বিপৰীত ভাৰতৰে কিশোৰ কুমাৰ জেনাই ৮৭.৫৪ মিটাৰ দলিয়াই ৰূপৰ পদক লাভ কৰিছে। খেলুৱৈগৰাকীয়ে পেৰিছ অলিম্পিকৰ বাবে বাচনি লাভ কৰিছে। পুৰুষৰ ফ'ৰ ইনটু ফ'ৰ হাণ্ড্ৰেড মিটাৰ ৰিলেত ভাৰতীয় দলটোৱে সোণৰ পদক অৰ্জন কৰে। এই প্ৰতিযোগিতাৰ মহিলাৰ শাখাত ভাৰতীয় দলে ৰূপৰ পদক অৰ্জন কৰে। আৰ্চাৰী প্ৰতিযোগিতাত ভাৰতৰ জ্যোতি সুৰেখা ৱেন্নাম আৰু অজাছ দেওতালেৰ যুটিয়ে সোণৰ পদক অৰ্জন কৰিছে। তেওঁলোকে এই শাখাৰ কম্পাউণ্ড মিক্সড টীম চূড়ান্ত প্ৰতিযোগিতাত কোৰিয়াৰ প্ৰতিদ্বন্দ্বীক ১৫৯-১৫৮ ব্যৱধানত পৰাস্ত কৰি খিতাপ দখল কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে প্ৰতিযোগিতাৰ আজি দশম দিনৰ খেলত ভাৰতৰ ৰাম বাবু আৰু মঞ্জু ৰাণীয়ে ৩৫ কিলোমিটাৰ মিক্সড ৰিলে ৱে'চ প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদকেৰে দেশৰ হৈ পদক দখলৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। স্কোৱাছত ভাৰতৰ অভয় সিং আৰু আনাহত সিঙৰ  মিক্সড যুটিয়ে মালয়েছিয়াৰ হাতত পৰাজিত হৈ ব্ৰঞ্জৰ পদক লাভ কৰে। ইপিনে দিপীকা পল্লিকাল আৰু হৰিন্দৰ পাল সিঙৰ যুটিয়ে মিক্সড ডাবলছৰ ফাইনেলত উপনীত হৈছে। পুৰুষৰ স্কোৱাছৰ ছিংগলছৰ ফাইনেলত ভাৰতৰ সৌৰভ ঘোচাল উপনীত হৈছে। ইপিনে মহিলাৰ ৮০০ মিটাৰ ফাইনেলত ভাৰতৰ হাৰমিলন বেঞ্চে ৰূপৰ পদক অৰ্জন কৰে। আনহাতে বেডমিণ্টনৰ একক শাখাত পি. ভি. সিন্ধু আৰু এইচ. এছ প্ৰণয় কোৱাৰ্টাৰ ফাইনেলত উপনীত হৈছে। সিন্ধুৱে ইণ্ডোনেছিয়াৰ পুত্ৰী কুসুমাক পৰাস্ত কৰাৰ বিপৰীতে প্ৰণয়ে কাজাখস্তানৰ ডিমিট্ৰী পানাৰিনক পৰাভূত কৰে।

ভাৰতে এতিয়ালৈ ১৮ সোণ, ৩১ টা ৰূপ আৰু ৩২ টা ব্ৰঞ্জসহ ৮১ টা পদকেৰে তালিকাৰ চতুৰ্থ স্থানত আছে। চীন প্ৰথম, জাপান দ্বিতীয় আৰু কোৰিয়া তৃতীয় স্থানত আছে।

০০০০০০০

সমাপ্ত